# এম. কামালুদ্দিন আহমেদৰ কবিতা

Issue: Vol. IV, No. 2, August-October, 2025

**নাঙেলী গীত**

নীলা আকাশৰ সুৰভি
ভাঙি যায়
যিহেতু পথাৰ কমি আহিছে

শব্দৰ সকলো আৱৰণ
খহি যায়। উৰুখা চালেৰে পৰা
বৰষুণে মচি নিয়ে সকলো প্ৰসাধন।
বথলিয়াই যায়
গীতৰ সকলো বাকলি

ফুকোঁ লাগি আছে
নলগা জেঙত

**বতাহান্তৰ**

পোত গৈ আছে অন্তৰত
উলাহত নাচি থকা পলাশৰ ডাল
ঘনবদ্ধ মদাৰ
আচ্ছন্ন ৰঙীন দিনৰ দিনলিপি

থান্দা
থান্দা
পলাশ মদাৰৰ বতাহজাক
তুলি ধৰা